1 (Sem–4/FYUGP) ASS 43 MN/(B)

2026

ASSAMESE

(Minor)

Paper : ASS4400704MN

(অসমীয়া কবিতা)

(Set–B)

Full Marks : 60

Anandaram Dhekial Phookan College Library * Nagaon : Assam * Acc. No. Date

Time : 2½ hours

The figures in the margin indicate full marks for the questions.

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) 'ৰামবিহীন অযোধ্যাৰ বৰ্ণনা' কবিতাটো 'ৰামায়ণ'ৰ কোনটো কাণ্ডৰ পৰা লোৱা হৈছে?

(খ) 'শৰৎ বৰ্ণনা' কবিতাটো কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(গ) এগৰাকী পাঁচালী কবিৰ নাম উল্লেখ কৰা।

(ঘ) 'সীতাহৰণ কাব্য'ৰ ৰচক কোন?

(ঙ) 'মালতী' কবিতাটো জোনাকী যুগৰ কোনজন কবিৰ?

(চ) ৰঘুনাথ চৌধাৰী কি কবি হিচাপে জনাজাত?

(ছ) নৱকান্ত বৰুৱাৰ এখন কবিতাপুথিৰ নাম লিখা।

(জ) অজিৎ বৰুৱাৰ সাহিত্য অকাডেমি বঁটা প্ৰাপ্ত কাব্যগ্ৰন্থখনৰ নাম কি?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) প্ৰাক্-শংকৰী যুগৰ দুজন কবিৰ নাম লিখা।

(খ) শংকৰদেৱৰ সাহিত্যকৃতিৰ দুটা বৈশিষ্ট্য লিখা।

(গ) 'গীতিৰামায়ণ'ৰ কোনটো অংশত মাধৱ কন্দলিৰ পৰা আঁতৰি গৈছে?

(ঘ) 'মেঘ' কবিতাটোৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

(চ) 'জোনাকী' কাকত কাৰ সম্পাদনাত, কোন চনত প্ৰথমে প্ৰকাশ হৈছিল?

(ছ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যৰীতিৰ দুটা বিশেষত্ব উল্লেখ কৰা।

(জ) অজিৎ বৰুৱাৰ দুখন কবিতাপুথিৰ নাম লিখা।

(ঝ) যুগসন্ধিৰ কবি বুলি কাক কোৱা হয়? তেখেতে লিখা এখন কাব্যগ্ৰন্থৰ নাম লিখা।

(ঞ) নীলমণি ফুকনে অনুবাদ কৰা দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ৰামবিহীন অযোধ্যাৰ পৰিৱেশ কেনে হৈছিল, তোমাৰ পাঠ্য কবিতাটিৰ আধাৰত আলোচনা কৰা।

(খ) 'শৰৎ বৰ্ণনা'ত মনোৰম প্ৰাকৃতিক চিত্ৰ কেনেদৰে অংকন কৰিছে, আলোচনা কৰা।

(গ) 'মালতী' কবিতাটোৰ সাৰাংশ লিখা।

(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'অজেয়' কবিতাটিৰ তাৎপৰ্য বিশ্লেষণ কৰা।

(ঙ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'মোৰ বীণা' কবিতাত অতিন্দ্ৰীয়বাদ সম্পৰ্কে আলোচনা কৰা।

(চ) দেৱকান্ত বৰুৱাৰ 'মনোৰমা' কবিতাৰ মূলভাৱ লিখি কবি-পৰিচয় দাঙি ধৰা।

(ছ) ''নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটোত তিনি প্ৰজন্মৰ প্ৰতিনিধিত্ব কৰিছে।'' কথাষাৰ আলোচনা কৰা।

(জ) নীলমণি ফুকনৰ কাব্যকৃতিৰ আলোচনা আগবঢ়োৱা।

Dhekial Phookan College Library, Acc. No. ..., Date ..., Nagaon : Assam

৪। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) মাধৱ কন্দলিৰ অনুবাদৰীতি সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(খ) 'মায়া অযোধ্যাৰ সৃষ্টি' কবিতাংশত দুৰ্গাবৰৰ মৌলিকতা আৰু কাব্যিক প্ৰতিভা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(গ) ভোলানাথ দাসৰ বিষয়ে চমুকৈ আলোচনা কৰি 'মেঘ' কবিতাটিত মেঘৰ ভিন্ন ৰূপ কিদৰে ফুটি উঠিছে, লিখা।

(ঘ) নীলমণি ফুকনৰ 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত' কবিতাৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(ঙ) অজিৎ বৰুৱাৰ 'মন কুঁৱলী সময়' কবিতাটোত প্ৰতীকৰ ব্যৱহাৰ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

★★★

Phookan College Library
Acc. No.
Date
Assam